**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-01-2026**
**Time : 21-25 Hrs.**

# ASSAMESE NIGHT BULLETIN

**:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী পানীখাইটিত আয়োজিত এটা অনুষ্ঠানত ডিমৰীয়া বিধানসভা সমষ্টিৰ ২৪ হাজাৰ ৭৬৬ গৰাকী মহিলাক উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। এই উপলক্ষে আয়োজিত জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন চৰকাৰী আঁচনিৰ লাভালাভ সন্দৰ্ভত মন্তব্য কৰে। ড° শৰ্মাই ডিমৰীয়া সমষ্টিৰ উদ্যমী মহিলাসকলে এই ধনৰ সদ্ব্যৱহাৰৰ জৰিয়তে স্বাৱলম্বী হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। মহিলাসকল আৰ্থিকভাৱে সবল হলে গ্ৰাম্য অৰ্থনীতি উন্নয়নৰ পথ সুগম হব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড০ শৰ্মাই অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত খচৰা ভোটাৰ তালিকা সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে খচৰা ভোটাৰ তালিকা সন্দৰ্ভত অভিযোগ থকাসকলে ২২ জানুৱাৰীৰ ভিতৰত নিৰ্বাচন আয়োগৰ ওচৰত আবেদন দাখিল কৰিব পাৰিব।

বাইট

০০০০

ডিব্ৰুগড় জিলাৰ টিংখাঙৰ টিপমীয়া ধোৱা পথাৰ বৰনামঘৰ প্ৰাঙ্গনত ৩ জানুৱাৰীৰ পৰা মৃদঙ্গিয়া গায়ন-বায়ন সংস্থা, অসমৰ দ্বিতীয় দ্বিবাৰ্ষিক ৰাজ্যিক অধিবেশন অনুষ্ঠিত হৈ আছে। আজি অধিবেশনৰ দ্বিতীয় দিনাৰ মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱাল, ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰী তথা স্থানীয় বিধায়ক বিমল বৰা আৰু শ্ৰীশ্ৰী আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড০ পিতাম্বৰ দেৱগোস্বামী উপস্থিত থাকে। সভাত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে মৃদংগ বায়নৰ জৰিয়তে অসমৰ সংস্কৃতিৰ বৰপথাৰখন চহকী কৰা তথা নতুন প্ৰজন্মক জাতীয় সংস্কৃতি চৰ্চা আৰু প্ৰসাৰৰ ক্ষেত্ৰত দায়বদ্ধ কৰি তোলাৰ বাবে অনুপ্ৰাণিত কৰি অহা মৃদংগিয়া গায়ন-বায়ন সংস্থাৰ শলাগ লয়।

০০০০

সমাগত বিধান সভা নিৰ্বাচনৰ বাবে বিজেপি আৰু কংগ্ৰেছকে ধৰি ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। অসম প্ৰদেশ বিজেপিৰ ২০২৬ৰ বিধানসভা নিৰ্বাচন প্ৰৱন্ধন সমিতিৰ আহ্বায়ক তথা লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱাই সমাগত বিধানসভা নিৰ্বাচনৰ বাবে দলটো সম্পূৰ্ণৰূপে সাজু বুলি মন্তব্য কৰিছে। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত আজি এখন সংবাদমেলত শ্ৰীবৰুৱাই কয়, যে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টি আৰু পঞ্চায়তত বিজেপিৰ নিৰ্বাচন প্ৰৱন্ধন সমিতি গঠন কৰা হৈছে। তেওঁ লগতে ৰাজ্যজুৰি হ'বলগীয়া দেৱাল লিখন কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰি কয়, যে কাইলৈ বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত এই দেৱাল

লিখন কাৰ্যসূচী শুভাৰম্ভ কৰিব। এই কাৰ্যসূচীত বিজেপিৰ সাংসদ মন্ত্ৰী, বিধায়ক, ৰাজ্যিক মৰ্চাৰ সভাপতি, জিলা পৰিষদকে ধৰি সকলো কাৰ্যকৰী সদস্যই অংশগ্ৰহণ কৰিব।

ইপিনে কংগ্ৰেছে প্ৰিয়ংকা গান্ধীক অধ্যক্ষ হিচাপে লৈ আসন্ন অসম বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী বাছনি সমিতি গঠন কৰিছে। সমিতিত সপ্তগিৰি শংকৰ উলাকা, ইমৰাণ মাছুদ আৰু ড০ চিৰিভেল্লা প্ৰসাদক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰদেশ কংগ্ৰেছৰ দায়িত্বৱাহী এ আই চি চিৰ সাধাৰণ সম্পাদক, প্ৰদেশ কংগ্ৰেছৰ সভাপতি, কংগ্ৰেছ বিধায়িনী দলৰ নেতা আৰু এ আই চি চিৰ সম্পাদকসকলো প্ৰাৰ্থী বাছনি সমিতিত সহযোগী সদস্য হিচাপে থাকিব।

০০০০

সদৌ অসম ছাত্ৰ সন্থাই জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ আজি এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে উল্লেখ কৰা অনুসৰি পত্ৰখনৰ জৰিয়তে জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ এখন বিশেষ আদালতৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে  ফৌজদাৰী আইনৰ অভিজ্ঞ অধিবক্তাৰ এটি দলক বিশেষ লোক অধিবক্তা হিচাপে নিয়োগ কৰাৰ প্ৰয়োজন বুলি পত্ৰখনত উল্লেখ কৰা হৈছে। ছাত্ৰ সন্থাই পত্ৰখনৰ যোগেৰে কয় যে আদালতৰ শুনানি কালত প্ৰত্যেকজন অভিযুক্তই আগশাৰীৰ অধিবক্তা  নিয়োগ কৰা দেখা গৈছে। গতিকে তেনে ক্ষেত্ৰত জুবিন গাৰ্গৰ পক্ষত শক্তিশালী অধিবক্তাৰ দল নিয়োগ কৰাৰ সময় আহি পৰিছে বুলি ছাত্ৰ সন্থাই উল্লেখ কৰে।

০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাত আজি শিশু দিন উদযাপন কৰা হয়। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত, কবি-সাহিত্যিক, পাৰ্থসাৰথি মহন্তই এই শিশু দিন কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰে। আজি শিশুৰ দিনৰ কাৰ্যসূচীৰ বিভিন্ন প্ৰতিযোগিতাত বঁটা লাভ কৰা সকলক অহা ৬ জানুৱাৰীত গ্ৰন্থমেলাৰ সামৰণি অনুষ্ঠানত বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে অসম গ্ৰন্থ মেলাত বৰ্তমানলৈকে প্ৰায় ৬ কোটি ৩০ লাখ টকাৰ কিতাপ বিক্ৰী হোৱা বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০

বিজনী চক্ৰ বিষয়া কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত কানানগো অধীক্ষক অৰুণাক্ষ ভট্টাচাৰ্যৰ আজি দিনৰ ১১ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৪ বছৰ।

০০০০

**ঃঃ সমাপ্ত ঃঃ**